**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-02-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া ইউ এ ই আৰু কাটাৰ তিনিদিনীয়া ভ্ৰমণসূচীৰে স্বদেশৰ পৰা ৰাওনা হৈছে।
২। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি অসমলৈ আহিব।
৩। কাজি নেমুক ৰাজ্যিক ফল হিচাপে ঘোষণা কৰা হৈছে।
৪। কেন্দ্ৰীয় কৃষিমন্ত্ৰী অৰ্জুন মুণ্ডাই কৈছে যে, খেতিয়কসকলৰ সৈতে আলোচনা কৰিবলৈ আৰু তেওঁলোকৰ সমস্যাসমূহ যথাসম্ভৱ সমাধান কৰিবলৈ চৰকাৰ সদায় সাজু। ***আৰু***
৫। ২০২৪ৰ জে ই ইৰ মূল পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ, ইউ এ ই আৰু কাটাৰৰ ভ্ৰমণসূচীৰে ইতিমধ্যে স্বদেশৰ পৰা ৰাওনা হৈছে। ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত শ্ৰী মোদীয়ে কয় যে বিগত ৯ বছৰত বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু সুৰক্ষা, খাদ্য আৰু শক্তি সুৰক্ষা তথা শিক্ষাকে ধৰি বিভিন্ন ক্ষেত্ৰত ইউ এ ইৰ সৈতে সহযোগিতা কেইবা গুণে বৃদ্ধি পাইছে আৰু সাংস্কৃতিক তথা জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় হৈ পৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ভ্ৰমণকালত তেওঁ ইউ এ ইৰ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েদ অল নাহয়ানক সাক্ষাৎ কৰিব আৰু দুয়ো দেশৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা আগুৱাই নিয়া সন্দৰ্ভত বিশদভাৱে আলোচনা কৰিব। ভাইব্ৰেণ্ট গুজৰাট গোলকীয় শীৰ্ষ সন্মিলনৰ সময়ত অল নাহয়ানক অভ্যৰ্থনা জনোৱাৰ সুযোগ লাভ কৰা বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ইউ এ ইৰ উপ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী আৰু ডুবাইৰ শাসক মহম্মদ বিন ৰাছিদ অল মখটুমৰ নিমন্ত্ৰণ মৰ্মে কাইলৈ ডুবাইত বিশ্ব চৰকাৰ শীৰ্ষ সন্মিলনত বিশ্ব নেতাসকলৰ সমাৰেশত সম্বোধন কৰিব। শ্ৰীমোদীয়ে কয় যে, সন্মিলনৰ আপাহতে প্ৰধানমন্ত্ৰী শ্বেখ মহম্মদ বিন ৰাছিদৰ সৈতে হ'বলগীয়া আলোচনাত ডুবাইৰ সৈতে বহুমুখী সম্পৰ্ক সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে কয় যে, এই ভ্ৰমণকালত তেওঁ আবু ধাবিত প্ৰথম হিন্দু মন্দিৰ মুকলি কৰিব। বি এ পি এছ মন্দিৰ ভাৰত আৰু ইউ এ ই-ৰ সম্ভাৱনা, শান্তি-সম্প্ৰীতি আৰু সহিষ্ণুতাৰ উমৈহতীয়া প্ৰমূল্যৰাজিৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, আবু ধাবিত হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত তেওঁ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ বিভিন্ন অঞ্চলত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলক সম্বোধন কৰিব।

প্ৰধানমন্ত্ৰীয়ে বিবৃতিটোত কয় যে, কাটাৰত তেওঁ দেশখনৰ অভূতপূৰ্ব আৰু নজিৰবিহীন পৰিৱৰ্তনৰ নেতৃত্ব বহন কৰা আমিৰ শ্বেখ তমিম বিন হমদাদ অলথানিক সাক্ষাৎ কৰিবলৈ আগ্ৰহেৰে বাট চাই আছে। কাটাৰৰ অন্য বিশিষ্ট ব্যক্তিসকলক সাক্ষাৎ কৰিবলৈ বাট চাই থকা বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰত আৰু কাটাৰৰ মাজৰ ঐতিহাসিকভাৱে ঘনিষ্ঠ আৰু মিত্ৰতাপূৰ্ণ সম্পৰ্ক আছে। তেওঁ কয় যে, শেহতীয়াকৈ কেইটামান বছৰত উচ্চস্তৰীয় ৰাজনৈতিক বিনিময় বৰ্ধিত ব্যৱসায় আৰু বিনিয়োগ শক্তি সহযোগিতা আৰু সংস্কৃতি তথা শিক্ষা সহযোগিতাসহ বিভিন্ন ক্ষেত্ৰত দুয়ো দেশৰ মাজৰ বহুমুখী সম্পৰ্ক সুদৃঢ় হৈছে। দোহাত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ ৮ লাখৰো অধিক লোকে উভয় দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক কিমান শক্তিশালী তাকে প্ৰতিফলিত কৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি অসমলৈ আহিব। তেওঁ বিয়লি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত ৰাজ্য চৰকাৰৰ ২০২৩ বৰ্ষৰ অসামৰিক সন্মান প্ৰদান অনুষ্ঠানত ভাগ ল'ব। উপ-ৰাষ্ট্ৰপতি শ্ৰী ধনখড় আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই বিভিন্ন ক্ষেত্ৰৰ যশস্বী ব্যক্তিসকলক এই সন্মানসমূহ প্ৰদান কৰিব। ন্যায়, কলা-সংস্কৃতি, ক্ৰীড়া, জনসেৱা, স্বাস্থ্য, শিক্ষা, উদ্যমিতা, উদ্যোগ, কৃষি, পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণ আদিৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য সেৱাৰ স্বীকৃতি স্বৰূপে প্ৰতি বছৰে এই বঁটাসমূহ প্ৰদান কৰি অহা হৈছে। এইবাৰ অসম বৈভৱ বঁটা সৰ্বোচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈলৈ আগবঢ়োৱা হৈছে। একেদৰে অসম সৌৰভ বঁটা ডঃ কিষণ চন্দ নৌৰিয়াল, এলভিছ

আলী হাজৰিকা, হিমা দাস আৰু নাদিৰাম দেউৰীক প্ৰদান কৰা হ'ব। ৰঞ্জিত কুমাৰ গগৈ, পাৰ্বতী বৰুৱা, দেৱজিৎ চাংমাই, দ্ৰোণ ভূঞা, নীলম দত্ত, অনুপম ডেকা, সৌম্যদ্বীপ দত্ত, বসন্ত চিৰিং ফুকন, মানেন্দ্ৰ ডেকা, মীনাক্ষী চেতিয়া, পখিলা লেকথেপি, টেনজিং বদোচা, নিৰ্মল দে, জেচিন কুম্বাং পাৰ, মেৰী হাছাঁ, উপেন্দ্ৰ ৰাভা আৰু ৰাহুল গুপ্তাক ২০২৩ বৰ্ষৰ অসম গৌৰৱ বঁটা প্ৰদান কৰা হ'ব।

000000

কাজি নেমুক ৰাজ্যিক ফল হিচাপে ঘোষণা কৰা হৈছে। ৰাজ্যিক কেবিনেটে কালি কাজি নেমুক ৰাজ্যিক ফল হিচাপে স্বীকৃতি প্ৰদানৰ প্ৰস্তাৱত অনুমোদন জনাইছিল যদিও কৃষিমন্ত্ৰী অতুল বৰাই আজি বিধানসভাত এই বিষয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। কাজি নেমুৱে ২০১৯ চনত জি আই টেগ লাভ কৰিছিল আৰু এই ফলবিধ অকল অসমতে উপলভ্য।

বিধায়ক নিজানুৰ ৰহমানৰ এটা প্ৰশ্নৰ উত্তৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে জনাই যে, চৰকাৰে গাঁও পঞ্চায়তৰ বিধানসভা সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ ভিত্তিত গাঁও পঞ্চায়তসমূহৰ পুনৰ গঠনৰ বিষয়ে বিবেচনা কৰি আছে আৰু এই সন্দৰ্ভত কাম অব্যাহত আছে।

বিজেপিৰ বিধায়ক বিদ্যাসিং ইংলেঙৰ এটা প্ৰশ্নৰ উত্তৰত খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয় যে, চৰকাৰে অকল নিমখৰ বাবেহে অনুজ্ঞাপত্ৰ প্ৰদান কৰে। তেওঁ লগতে কয় যে, অন্য অত্যাৱশ্যকীয় সামগ্ৰীসমূহ মুকলি বজাৰৰ জৰিয়তে কিনা-বেচা হয় আৰু সেইসমূহৰ ওপৰত চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাথাকে।

বিধায়ক অখিল গগৈয়ে প্ৰশ্নকালত বৃদ্ধ পেঞ্চন আৰু বিধৱা পেঞ্চনৰ ধন বৃদ্ধিৰ কোনো পৰিকল্পনা আছে বুলি প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ উত্তৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয় যে, বিভাগে ৰূপায়ণ কৰি থকা ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনিক ২০২৩-২৪ বিত্তীয় বৰ্ষৰ পৰা অৰুণোদয় আঁচনিৰ লগত অন্তৰ্ভুক্ত কৰা হৈছে। ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাজেটত ঘোষণা কৰা অনুসৰি কেবিনেটৰ সিদ্ধান্ত মৰ্মে যোৱা ডিচেম্বৰৰ পৰা ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন লাভ কৰি থকা হিতাধিকাৰীসকলক ৰাজ্যিক পুঁজিৰ পৰা ৯৫০ টকাৰ অতিৰিক্ত ধনৰাশি মাহিলী পেঞ্চনত যোগ দিয়া হৈছে আৰু এই পেঞ্চনৰ মুঠ পৰিমাণ এহেজাৰ ২৫০ টকালৈ বৃদ্ধি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

প্ৰশ্নকালৰ অন্তত জনজাতি পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মিচিং স্বায়ত্ত শাসিত পৰিষদ সংশোধনী বিধেয়ক ২০২৪ বিধানসভাত উত্থাপন কৰে। তেওঁ লগতে ৰাভা হাছং স্বায়ত্ত পৰিষদ সংশোধনী বিধেয়ক ২০২৪ আৰু ঠেঙাল-কছাৰী স্বায়ত্ত পৰিষদ সংশোধনী বিধেয়ক ২০২৪ সদনৰ বিবেচনাৰ্থে উত্থাপন কৰে।

000000

কেন্দ্ৰীয় কৃষিমন্ত্ৰী অৰ্জুন মুণ্ডাই কৈছে যে, খেতিয়কসকলৰ সৈতে আলোচনা কৰিবলৈ আৰু তেওঁলোকৰ সমস্যাসমূহ যথাসম্ভৱ সমাধান কৰিবলৈ চৰকাৰ সদায় সাজু। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মুণ্ডাই কয় যে, চৰকাৰ খেতিয়কসকলৰ স্বাৰ্থ পূৰণ কৰিবলৈ বাধ্য। খেতিয়কসকলৰ বিষয়সমূহ ৰাজ্য চৰকাৰৰ সৈতেও জড়িত আৰু সেই বিষয়সমূহৰ সম্পৰ্কে আলোচনা কৰিবলৈ আৰু সমাধান উলিয়াবলৈ এখন মঞ্চ গঠনৰ আৱশ্যকতা আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

000000

মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক চাৱনে বিজেপিত যোগদান কৰাৰ কথা ঘোষণা কৰিছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী চাৱনে কয় যে, তেওঁ আজি মহাৰাষ্ট্ৰৰ উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নৱিজ, মহাৰাষ্ট্ৰ বিজেপিৰ মুৰব্বী চন্দ্ৰশেখৰ বাৱান কুলে আৰু মুম্বাই বিজেপিৰ মুৰব্বী আশিস চেলাৰৰ উপস্থিতিত দলটোত যোগদান কৰিব।

000000

২০২৪ৰ জে ই ইৰ মূল পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। পৰীক্ষাৰ্থীসকলে jeemain.nta.ac.in ৱেবচাইটত গৈ ফলাফল চাব পাৰিব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই কৈছ যে, ২৩ গৰাকী শিক্ষাৰ্থীয়ে এই পৰীক্ষাত ১০০ শতাংশ নম্বৰ লাভ কৰিছে। ১১ লাখ ৭০ হাজাৰৰো অধিক শিক্ষাৰ্থীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হৈছিল।১০০ শতাংশ নম্বৰ লাভ কৰাসকলৰ ভিতৰত ৭ গৰাকী তেলেংগানাৰ, হাৰিয়ানা আৰু দিল্লীৰ দুগৰাকীকৈ, অন্ধ্ৰ প্ৰদেশ, ৰাজস্থান আৰু মহাৰাষ্ট্ৰৰ তিনিগৰাকীকৈ আৰু গুজাৰাট, কৰ্ণাটক আৰু তামিলনাডুৰ এগৰাকীকৈ শিক্ষাৰ্থী আছে।

000000

আজি বিশ্ব অনাতাঁৰ দিৱস। ৰেডিঅ'ৰ গুৰুত্বৰ বিষয়ে জনসাধাৰণ আৰু সংবাদ মাধ্যমৰ মাজত সজাগতা সৃষ্টিৰ লগতে ৰেডিঅ'ৰ মাধ্যমেৰে তথ্য আহৰণ কৰিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ১৩ ফেব্ৰুৱাৰীৰ দিনটো বিশ্ব অনাতাঁৰ দিৱস হিচাপে পালন কৰি অহা হৈছে। ইউনেস্ক'ৰ সদস্য ৰাষ্ট্ৰসমূহে ২০১১ চনত এই দিৱস পালন কৰাৰ কথা ঘোষণা কৰিছিল আৰু ২০১২ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ইয়াক আন্তঃৰাষ্ট্ৰীয় দিৱসৰ স্বীকৃতি প্ৰদান কৰিছিল। ইউনেস্ক'ৰ ব্যাখ্যা অনুসৰি ৰেডিঅ' মানৱতা উদযাপনৰ এটা শক্তিশালী মাধ্যম

আৰু গণতান্ত্রিক কাম-কাজৰ উপযুক্ত মঞ্চ। ৰেডিঅ’ হৈছে এনে এটা বহুমুখী মাধ্যম, যিয়ে টি ভি, ডিজিটেল আৰু ছ’চিয়েল মিডিয়াৰ দৰে বিভিন্ন মঞ্চৰ পৰা অহা সকলো প্ৰত্যাহ্বানৰ সন্মুখীন হৈয়ো সময়ৰ সৈতে খাপ খুৱাই নিজকে গঢ় দিছে। বিশ্বৰ অধিক সংখ্যক লোকে ব্যৱহাৰ কৰা অন্যতম প্ৰধান মাধ্যম হিচাপে ৰেডিঅ’ই বহুসংখ্যক শ্ৰোতাক সামৰি ল’ব পাৰে আৰু সমাজৰ বৈচিত্ৰ্যৰ অভিজ্ঞতা তথা সকলোৰে বাবে মত বিনিময়ৰ সুবিধা প্ৰদান কৰে। সেয়েহে এই দিনটো জীৱনক স্পৰ্শ কৰা আৰু বিশ্বৰ প্ৰতিটো অঞ্চলৰ লোকক একত্ৰিত কৰা ৰেডিঅ’ৰ অভূতপূৰ্ব শক্তিক সোঁৱৰণৰো দিন।

এই বছৰৰ বিশ্ব অনাতাঁৰ দিৱসৰ বিষয় হৈছে - ৰেডিঅ’ঃ তথ্য মনোৰঞ্জন আৰু শিক্ষাদানৰ এটা শতিকা, যিয়ে ৰেডিঅ’ৰ সোণালী ইতিহাসৰ লগতে বাতৰি, নাটক, সংগীত, ক্ৰীড়া আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত ইয়াৰ শক্তিশালী প্ৰভাৱৰ ওপৰত আলোকপাত কৰে। বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে আজি দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আকাশবাণী গুৱাহাটীয়ে গোৱালপাৰা জিলাৰ দুধনৈ মহাবিদ্যালয়ত এই দিৱস উদযাপন কৰিব। এই অনুষ্ঠানৰ যোগেদি জিলাখনৰ সাপ্তাহিক কাৰ্যসূচী আকাশবাণী যোগে প্ৰচাৰৰ শুভাৰম্ভ কৰা হ’ব।

০০০০০০

বেডমিণ্টন এছিয়া টীম চেম্পিয়নশ্বিপ মালেয়ছিয়া শ্বাহআলমত আৰম্ভ হৈছে। ১৮ ফেব্ৰুৱাৰীত এই দ্বি-বাৰ্ষিক প্ৰতিযোগিতাৰ সামৰণি পৰিব। ভাৰত পুৰুষৰ দলীয় শিতানৰ নিজৰ প্ৰথমখন খেলত কাইলৈ হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০

**সমাপ্ত**